**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১১৯/২০২০**

## জি এল আগৰৱালাৰ আত্মজীৱনী ‘ঋতুৰ পৰা ঋতুলৈ’ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## সমাজৰ প্ৰতি অত্যন্ত দায়বদ্ধতাৰে কাম কৰা ব্যক্তি আছিল আগৰৱালা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ মাৰ্চ ঃ** আমাৰ অসম কাকতৰ প্ৰতিষ্ঠাপক তথা বিশিষ্ট সমাজকৰ্মী জি এল আগৰৱালাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা তেওঁৰ আত্মজীৱনী ‘ঋতুৰ পৰা ঋতুলৈ’ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি উন্মোচন কৰে। প্ৰয়াত সমাজকৰ্মী গৰাকীৰ গুৱাহাটীৰ বাসগৃহত অনুষ্ঠিত এক অনুষ্টুপীয়া কাৰ্যসূচীত মুখ্যমন্ত্ৰী সোণোৱালে এই আত্মজীৱনীখন মুকলি কৰে।

প্ৰয়াত সমাজকৰ্মী গৰাকীৰ মৃত্যু বাৰ্ষিকীত তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জি এল আগৰৱালা সমাজৰ প্ৰতি অত্যন্ত দায়বদ্ধতাৰে আৰু দায়িত্ব সহকাৰে কাম কৰা ব্যক্তি আছিল। বৃহত্তৰ অসমীয়া সমাজখনৰ বাবে ওৰে জীৱন তেখেতে কঠোৰ পৰিশ্ৰম আৰু সাধনাত মগ্ন হৈ উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। প্ৰয়াত আগৰৱালাই অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে তেখেতৰ বৰঙণি সমাজে সদায়ে মনত ৰাখিব লাগিব আৰু তেখেতে এৰি থৈ যোৱা আদৰ্শ আগন্তুক দিনত কৰ্মজীৱনত প্ৰতিফলিত কৰিব পাৰিব লাগিব।

প্ৰয়াত আগৰৱালাৰ আত্মজীৱনী অধ্যয়ন কৰিলে বহু কথাৰ উমান পোৱা যাব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই গ্ৰন্থই বিশিষ্ট সমাজকৰ্মী গৰাকীৰ জীৱন পৰিক্ৰমাৰ উপৰি জীৱন যুঁজত তেখেতে কিদৰে আত্মনিয়োগ কৰিছিল সেই সম্পৰ্কে আভাস দিব বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে বৃহত্তৰ অসমীয়া সমাজখন শক্তিশালীভাৱে গঢ় দিবলৈ যাওঁতে প্ৰয়াত আগৰৱালা কেনেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল সেই কথাৰো উমান আত্মজীৱনীখনে দিব বুলি তেখেতে আশা প্ৰকাশ কৰে। তদুপৰি, এই গ্ৰন্থখন এখন অত্যন্ত গুৰুত্বপূৰ্ণ গ্ৰন্থ হিচাপে চিহ্নিত হ’ব বুলি তেখেতে কয়।

আমাৰ অসম কাকতৰ সম্পাদক প্ৰশান্ত ৰাজগুৰুৱে আঁতধৰা এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, সংবাদগোষ্ঠীটোৰ মুখ্য পৰিচালন সঞ্চালক সমীৰ আগৰৱালাৰ লগতে আগৰৱালা পৰিয়ালৰ সদস্য-সদস্যা, আমাৰ অসম প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰী আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**১৪/০৩/২০২০**